# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ২৭/০৯/২০১৯**

## কাৰ্য্যবিৱৰণী

আজি ইং ২৭/০৯/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠকখন মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। মূখ্য ন্যায়িক দণ্ডাধীশৰ বক্তব্যৰে আৰম্ভ হোৱা বৈঠকখনত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে, কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

বৈঠকৰ আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ পেঞ্চনৰ প্ৰয়োজনীয় নথিসমূহৰ অসম্পূৰ্ণ কামৰ বিষয়ে অৱগত হোৱাৰ উপৰিও অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলৰ নথিসমূহৰ কাম অৱসৰৰ পূৰ্বে যুগুত কৰিবলৈ নিৰ্দেশ কৰে। লগতে অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলক নথিসমূহ যুগুত কৰাত সহায় সহযোগিতা আগবঢ়াবলৈ জনায়।

Bench সহায়কসকলক জৰিমণা তথা অন্য হিচাপ সম্পৰ্কীয় পঞ্জীয়ন বহীসমূহৰ সঠিক ব্যৱহাৰৰ বিষয়ে অৱগত কৰা হয়.। ইয়াৰ ওপৰিও Bench সহায়কসকলৰ সম্ভাব্য বৰ্গীকৰণৰ সন্দৰ্ভত আলোচনা কৰা হয়। Old Pending FR কেছসমূহৰ নিষ্পতিৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায় তাৰ পৰামৰ্শ প্ৰদান কৰে।

প্ৰতিলিপি লাভ কৰিবলৈ আবেদনকাৰীৰ থাকিব লগিয়া বৈশিষ্ট সম্পৰ্কে আলোচনা কৰা হয়। লগতে প্ৰতিলিপি প্ৰদানৰ বাবে প্ৰেৰণ কৰা কেছৰ নথিসমূহ Bench সহায়কসকলে ভালদৰে নিৰীক্ষণ কৰিবলৈ জনোৱা হয়।

ইয়াৰ পাছতে ন্যায়িক বিষয়াসকলৰ আৱাসিকৰ জেনেৰেটৰ লগতে কাৰ্যালয়ৰ নানান সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। শেষত আগন্তুক শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছা প্ৰদানৰ লগতে জলযোগেৰে বৈঠকৰ সামৰণি পৰে।

27/9/19.

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

| | | |
|---|---|---|
| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ |
| (ৰাহুল মেধি) | (মনিকা মিচং) | (নাজৰানা পাৰবিন ৰেহমান) |